Total No. of Printed Pages—8

20 E—GEOG

2020

GEOGRAPHY

Full Marks : 70

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Find out the correct answer of the following : 1×7=7

তলৰ প্ৰশ্নবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(a) The single landmass that included all the continents, as suggested by Alfred Wegener is known as

আলফ্ৰেড্ ৱেগনাৰৰ মতে অনুসৰি সকলো মহাদেশ লগ লাগি থকা একক ভূখণ্ডক কোৱা হয়

(i) Pangaea
পেংগিয়া

(ii) Panthalassa
পান্থালাছা

(iii) Laurasia
লৰেছিয়া

(iv) Gondwanaland
গণ্ডোৱানালেণ্ড

(b) Which one of the following is not a chemical weathering process?

তলৰ কোনবিধ ৰাসায়নিক বিচূৰ্ণীভৱন প্ৰক্ৰিয়া নহয় ?

(i) Solution
দ্ৰৱণ

(ii) Carbonation
আংগাৰীকৰণ

(iii) Oxidation
জাৰণ

(iv) Exfoliation
অপপত্ৰণ

(c) Among the following, which one is an erosional landform of glacial region?

তলত দিয়াসমূহৰ ভিতৰত কোনটো হিমবাহ এলেকাৰ ক্ষয়জনিত ভূ-অৱয়ব ?

(i) Esker
এস্কাৰ

(ii) Drumlin
ড্ৰামলিন

(iii) Moraine
গ্ৰাৱৰেখা

(iv) Cirque
চাৰ্ক

(d) In which State of the following, the Chilika Lake is situated?

তলৰ কোনখন ৰাজ্যত চিল্কা হ্ৰদ অৱস্থিত ?

(i) Assam
অসম

(ii) Manipur
মণিপুৰ

(iii) Kerala
কেৰালা

(iv) Odisha
উৰিষ্যা

(e) Monsoon is a

মৌচুমী এবিধ

(i) seasonal wind
ঋতুকালীন বতাহ

(ii) local wind
স্থানীয় বতাহ

(iii) land and sea breeze
স্থল আৰু জল বতাহ

(iv) mountain and valley wind
পাৰ্বত্য আৰু উপত্যকা বতাহ

(f) Which one of the following type of cloud is found at the highest altitude of the atmosphere?

তলৰ কোনবিধ ডাৱৰ বায়ুমণ্ডলৰ সবাতোকৈ অধিক উচ্চতাত পোৱা যায়?

(i) Cumulus cloud
পুঞ্জ ডাৱৰ

(ii) Cirrus cloud
অলক ডাৱৰ

(iii) Stratus cloud
স্তৰ ডাৱৰ

(iv) Nimbus cloud
ঝঞ্ঝা ডাৱৰ

(g) Which one of the following is not a greenhouse gas?

তলৰ কোনবিধ গেছ সেউজগৃহ গেছ নহয়?

(i) Carbon dioxide
কাৰ্বন ডাই-অক্সাইড

(ii) Nitrous oxide
নাইট্ৰাছ অক্সাইড

(iii) Methane
মিথেন

(iv) Nitrogen
নাইট্ৰ'জেন

2. Give short answer : 2×8=16

চমু উত্তৰ দিয়া :

(a) Mention two effects of ocean currents.

সাগৰীয় সোঁতৰ দুটা ফলাফল উল্লেখ কৰা।

(b) Name two northern tributaries of the Brahmaputra.

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ দুখন উপনদীৰ নাম লিখা।

(c) Name two biosphere reserves of North-East India.

উত্তৰ-পূৱ ভাৰতৰ দুখন জৈৱ সংৰক্ষিত অঞ্চলৰ নাম লিখা।

(d) What is the difference between stalactite and stalagmite?

ষ্টেলেকটাইট আৰু ষ্টেলেগমাইটৰ মাজত পাৰ্থক্য কি?

(e) By which names the alluvial plains of North India are known?

উত্তৰ ভাৰতৰ পলসুৱা সমভূমি কি কি নামেৰে জনা যায়?

(f) Name two terrestrial disasters.

দুবিধ পাৰ্থিৱ দুৰ্যোগৰ নাম লিখা।

(g) Write two names of metamorphic rock.

দুবিধ ৰূপান্তৰিত শিলৰ নাম লিখা।

(h) Name two forces responsible for the development of ocean currents.

সাগৰীয় সোঁত সৃষ্টি কৰা দুবিধ শক্তিৰ নাম লিখা।

(Turn Over)

3. Write short notes on (any *five*) : 3×5=15

চমু টোকা লিখা (যি কোনো পাঁচটা) :

(a) Human geography

মানৱ ভূগোল

(b) Tethys sea

টেথিচ সাগৰ

(c) Elements of weather and climate

বতৰ আৰু জলবায়ুৰ উপাদানসমূহ

(d) Conservation of biodiversity

জৈৱ বৈচিত্ৰ্যতা সংৰক্ষণ

(e) Indian subcontinent

ভাৰতীয় উপমহাদেশ

(f) Tropical deciduous forests

ক্ৰান্তীয় পৰ্ণপাতী হাবি

4. Distinguish between the following in brief (any *three*) : 4×3=12

তলত দিয়াবোৰৰ চমুকৈ পাৰ্থক্য লিখা (যি কোনো তিনিটা) :

(a) Erosional landform and Depositional landform of karst landscape

কাৰ্ষ্ট স্থলাকৃতিত গঠিত ক্ষয়কাৰ্যজনিত আৰু অৱক্ষেপজনিত ভূ-অৱয়ব

(b) Land breeze and Sea breeze

স্থল বতাহ আৰু জল বতাহ

(c) Himalayan drainage system and Deccan drainage system

হিমালয় নদীতন্ত্ৰ আৰু দাক্ষিণাত্য নদীতন্ত্ৰ

(d) Agricultural drought and Hydrological drought

কৃষিখৰ আৰু জলখৰ

5. In how many divisions India has been geologically divided? Describe one of them. 3+2

ভূ-তাত্ত্বিক দিশৰ পৰা ভাৰতবৰ্ষক কিমানটা ভাগত ভাগ কৰা হৈছে? ইয়াৰে যি কোনো এটা বৰ্ণনা কৰা।

6. Discuss the important features of monsoon wind. Write briefly on the impact of monsoon rain in India. 2+3

মৌচুমী বতাহৰ মুখ্য বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা। ভাৰতবৰ্ষত মৌচুমী বৰষুণৰ প্ৰভাৱৰ বিষয়ে চমুকৈ লিখা।

7. Mention the primary divisions of natural disasters and write briefly the cause and effect of any one of the natural disasters. 2+3

প্ৰাকৃতিক দুৰ্যোগৰ মুখ্য বিভাগসমূহ উল্লেখ কৰা আৰু যি কোনো এবিধ প্ৰাকৃতিক দুৰ্যোগৰ কাৰণ আৰু ফলাফলৰ বিষয়ে চমুকৈ লিখা।

8. Draw a map of India and mark the following features in appropriate locations : 2+3

ভাৰতবৰ্ষৰ এখন মানচিত্ৰ আঁকা আৰু তলত দিয়াবোৰ যথাস্থানত চিহ্নিত কৰা :

(a) Sunderbans

সুন্দৰবন

(b) Karakoram mountain range

কাৰাকোৰম পৰ্বতমালা

(c) Naga hills

নগা পাহাৰ

(d) Kaveri river

কাবেৰী নদী

(e) Mumbai

মুম্বাই

(f) Loktak lake

লক্‌টক হ্ৰদ

***